অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং : ৩৭৬
উত্তৰ দানৰ তাৰিখ : ১৫ /০৭/২০২৬
*বিষয়ঃ* **কাছাড় জেলায় Farmer Registration সম্পৰ্কিত**
বিধায়কৰ নাম : শ্ৰীকমলাক্ষ দে পুৰকায়স্থ :

মাননীয় কৃষি বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) কাছাড় জেলায় কৃষক নিবন্ধন (Farmer Registration) কাৰ্যক্ৰম কবে থেকে শুরু করা হবে এবং এ বিষয়ে সরকারের কি পরিকল্পনা রয়েছে ?

(খ) ইউরিয়া সারের সঙ্গে অন্যান্য সার ব্যবহারে কৃষকদের উৎসাহিত / বাধ্যতামূলক করার লক্ষ্যে সরকার কোনো নির্দেশ বা ব্যবস্থা গ্ৰহণ করেছে কি? করে থাকলে তা কবে থেকে কাৰ্যকর হবে এবং কাছাড় জেলায় এর বৰ্তমান অগ্ৰগতি কি ?

(গ) ২০২৬-২৭ অৰ্থ বছরে কাছাড় জেলায় ধান উৎপাদনের কত লক্ষ্যমাত্ৰা নিৰ্ধারণ করা হয়েছে ?

(ঘ) আগামী মৌসুমের ধানের বীজ বিতরণ কবে থেকে শুরু হবে এবং কি পদ্ধতিতে বিতরণ করা হবে ?

উত্তৰ

মাননীয় কৃষি মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব:

(ক) কাছাৰ জিলাত কৃষক পঞ্জীয়ন (Farmer Registration) আৰম্ভ কৰাৰ বিষয়টো ধৰিত্ৰী (Dharitree) পৰ্টেলত ডিজিটেল ভূমি তথ্য উপলব্ধ হোৱাৰ ওপৰত নিৰ্ভৰশীল।
বৰ্তমান কাছাৰ জিলাৰ ভূমি অভিলেখ সমূহৰ ডিজিটেলকৰণৰ প্ৰক্ৰিয়া চলি আছে। ডিজিটেলকৰণৰ কাম সম্পূৰ্ণ হৈ ধৰিত্ৰী ব্যৱস্থাত ডিজিটেল ভূমি তথ্য উপলব্ধ হোৱাৰ পিছত, উক্ত জিলাত কৃষক পঞ্জীয়নৰ কাৰ্য আৰম্ভ কৰিব পৰা যাব।

(খ) উৎপাদন বৃদ্ধি, মাটিৰ স্বাস্থ্য সংৰক্ষণ আৰু সাৰৰ সুষম ব্যৱহাৰ নিশ্চিত কৰাৰ লক্ষ্যৰে কৃষকসকলক ইউৰিয়াৰ লগতে **নেন' (Nano) ইউৰিয়া, NPK সাৰ আৰু গৌণ তথা অনুখাদ্য পুষ্টি মৌলসমূহ** মাটি পৰীক্ষাৰ প্ৰতিবেদন (Soil Health Card) অনুসৰি বৈজ্ঞানিকভাৱে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়া হয়। এই পৰামৰ্শ বাধ্যতামূলক নহয়।

- অসমৰ বৰ্তমান **NPK ব্যৱহাৰৰ অনুপাত ৫.৭: ১.৫: ১**. যি ৰাষ্ট্ৰীয় আদৰ্শ অনুপাত **৪: ২: ১** তকৈ ভাৰসাম্যহীন। ইয়াৰ ফলত নাইট্ৰ'জেনৰ তুলনামূলক অধিক ব্যৱহাৰ আৰু ফছফৰাছ-পটাছৰ কম ব্যৱহাৰ পৰিলক্ষিত হৈছে।
- **PM-PRANAM** আঁচনি আৰু সজাগতা কাৰ্যসূচীৰ ফলত NPK অনুপাত **২০২২-২৩ বৰ্ষৰ ৬.২: ১.৭: ১**-ৰ পৰা **২০২৪-২৫ বৰ্ষত ৫.৭: ১.৫: ১**লৈ উন্নতি হৈছে।
- ভাৰসাম্যহীন ভাবে সাৰ ব্যৱহাৰ কৰাৰ ফলত মাটিৰ অম্লতা বৃদ্ধি, মাটিৰ উৰ্বৰতা হ্ৰাস, শস্যত ৰোগ- কীটৰ আক্ৰমণ বৃদ্ধি, শিপাৰ বিকাশ ব্যাহত হোৱা আৰু উৎপাদনশীলতা হ্ৰাস পোৱাৰ সম্ভাৱনা থাকে।
- **নেন' ইউৰিয়া** নাইট্ৰ'জেনৰ ব্যৱহাৰ দক্ষতা বৃদ্ধি, সাৰৰ অপচয় আৰু পৰিবেশ প্ৰদূষণ হ্ৰাস কৰাৰ লগতে উৎপাদন আৰু গুণগত মান উন্নত কৰাত সহায় কৰে।
- **NPK** আৰু **গৌণ/অনুখাদ্য** পুষ্টি মৌল উদ্ভিদৰ সুষম বৃদ্ধি, শিপাৰ বিকাশ, ৰোগ প্ৰতিৰোধ ক্ষমতা আৰু অধিক উৎপাদনৰ বাবে অপৰিহাৰ্য।
- কৃষি বিভাগে Soil Health Card অনুসৰি সুষম সাৰ ব্যৱহাৰ, **NPK/NPKS** মিশ্ৰিত **সাৰ, নেন' ইউৰিয়া আৰু জৈৱ সাৰ** ব্যৱহাৰৰ বাবে কৃষকসকলক নিয়মিতভাৱে পৰামৰ্শ, প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

এই পৰামৰ্শ কাছাৰ জিলাৰ লগতে সমগ্ৰ অসমৰ সকলো কৃষকৰ বাবে সমানভাৱে প্ৰযোজ্য।

(গ) ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কাছাৰ জিলাৰ ধান উৎপাদনৰ লক্ষ্য ২৭৭৯৯৫ মেট্ৰিক টন নিৰ্ধাৰণ কৰা হৈছে। (উৎস- Statistical Wing of Directorate of Agriculture, Assam)

(ঘ) কৃষি বিভাগে ইতিমধ্যে ধান, মটৰ, তিলৰ প্ৰমাণিত বীজ হিতাধিকাৰীৰ মাজত বিতৰণ কৰিছে। জুলাই মাহৰ ভিতৰত কণীধান (Finger Millet), মাটিমাহ, আৰু মগুমাহ বিতৰণৰ পৰিকল্পনা কৰা হৈছে। ৰবি বতৰত মচুৰ, মটৰ, আলু, মাকৈ, কাবুলী বুটৰ বীজ বিতৰণ কৰা হ'ব। তাৰোপৰি মাকৈ, আলুৰ বিধানো শস্য বতৰ আৰু আবণ্টন অনুযায়ী বিতৰণ কৰা হ'ব।

*************